# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 14-12-2025
**Time :** 1845 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

১। আনজাওৰ পথ দুৰ্ঘটনাত নিহত ২০ গৰাকী শ্ৰমিকৰ আটাইৰে মৃতদেহ উদ্ধাৰ।

২। নলবাৰী জিলাত মাধ্যমিক শিক্ষা পৰিষদৰ অধীনৰ ১৭৬ গৰাকী শিক্ষকক নিযুক্তি-পত্ৰ প্ৰদান।

৩। গুৱাহাটীৰ খানাপাৰাত অহা ২৪ ডিচেম্বৰৰ পৰা হ'বলগীয়া অসম গ্ৰন্থমেলাৰ আজি লাইখুঁটা স্থাপন।

৪। মাজুলীত ২০২৫ বৰ্ষৰ অসম শিশু ভাওনা সমাৰোহ আৰম্ভ।

*আৰু*

৫। ধৰমশালাত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত কিছুসময়ৰ পাছতে টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল। টছত জিকি ভাৰতৰ দক্ষিণ আফ্ৰিকাক প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ।

০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত নিহত আটাইকেইগৰাকী শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। কালি ৬ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰৰ পাছত আজি ১৪ জনৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মন্ত্ৰী বিমল বৰাই সামাজিক মাধ্যম যোগে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে অৰুণাচল প্ৰদেশ চৰকাৰ তথা উদ্ধাৰ অভিযানত সহযোগিতা আগবঢ়োৱাসকলোকে কৃতজ্ঞতা প্ৰকাশ কৰে। আজি উদ্ধাৰ হোৱা আটাইকেইজন শ্ৰমিকৰ মৃতদেহসমূহ তিনিচুকীয়াত থকা তেওঁলোকৰ পৰিয়ালক গতাই দিয়াৰ বাবে বিধায়ক সঞ্জয় কিষানৰ সৈতে মন্ত্ৰীগৰাকী তিনিচুকীয়ালৈ ৰাওনা হৈছে।

*-বাইট -*

ৰাজ্য চৰকাৰে ইতিমধ্যে কালি উদ্ধাৰ কৰা ৬ জন শ্ৰমিকৰ মৃতদেহ পৰিয়ালৰ লোকক অৰ্পণ কৰে আৰু তেওঁলোকৰ অন্ত্যেষ্টিক্ৰিয়া ইতিমধ্যে সম্পন্ন কৰা হৈছে।

উল্লেখযোগ্য যে, এই দুৰ্ঘটনাৰ পৰা জীৱিত অৱস্থাত উদ্ধাৰ হোৱা একমাত্ৰ শ্ৰমিক বুদ্ধেশ্বৰ দীপ বৰ্তমান ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে।

সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণৰ সম্পাদক সমীৰণ ফুকনে যোৱানিশা এই দুৰ্ঘটনাত নিহত শ্ৰমিকৰ পৰিয়ালৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ লগতে শ্ৰমিকসকলৰ জীৱনৰ নিৰাপত্তাৰ দিশটো গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ চৰকাৰক আহ্বান জনায়।

০০০০০০০

ৰাজ্যত নিৰাপত্তা  ব্যৱস্থা অধিক ফলপ্ৰসূ হৈ উঠা বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে প্ৰকাশ কৰিছে। মৌখিক কথা বতৰাতকৈ কাম-কাজৰ মূল্য বেছি বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে ৰাজ্যত পূৰ্বতে উচ্চ অপৰাধৰ হাৰ থকাৰ বিপৰীতে অভিযোগনামাৰ হাৰ আছিল দুৰ্বল। সম্প্ৰতি ৰাজ্যত অপৰাধৰ হাৰ নিম্ন হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত উপযুক্ত পদক্ষেপৰ জৰিয়তে অনাগত ভৱিষ্যতত সম্পূৰ্ণ সুস্থিৰ ৰাজ্য নিৰ্মাণ কৰিবলৈ চৰকাৰে সম্ভাব্য সকলো প্ৰচেষ্টা অব্যাহত ৰাখিব।

০০০০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি নলবাৰী জিলাত মাধ্যমিক শিক্ষা পৰিষদৰ অধীনৰ ১৭৬ গৰাকী শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰে। নলবাৰী জিলা পুথিভড়াল প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানতে ৮০ গৰাকী শিক্ষাৰ্থীৰ মাজত ড° বাণীকান্ত কাকতি মেধা বঁটা বিতৰণ কৰা হয়। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে শিক্ষকসকলক বিদ্যালয়ৰ স্বাৰ্থত কাম কৰি যাবলৈ আহ্বান জনায়। চৰকাৰী শিক্ষা ব্যৱস্থাৰ প্ৰচলিত ধাৰণাক মষিমুৰ কৰি পৰিৱৰ্তন সাধনৰ বাবে শিক্ষকসকল আগবাঢ়ি অহাৰ হকে মন্ত্ৰীগৰাকীয়ে মত পোষণ কৰে। শ্ৰীমল্ল বৰুৱাই ২০ৰ পৰা ২৫ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে এজনকৈ মেণ্টৰ শিক্ষক নিয়োগ কৰি ঘৰুৱাভাৱেও ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশৰ বুজ লোৱাৰ বাবে পদক্ষেপ ল'বলৈ বিদ্যালয়সমূহক আহ্বান জনায়। একেটা অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ৬৫ গৰাকী জীৱিকা সখীক সখী এক্সপ্ৰেছৰ অধীনত স্কুটি বিতৰণ কৰে। শ্ৰীমল্ল বৰুৱাই গ্ৰামাঞ্চলৰ সখীসকলৰ দৰে নগৰাঞ্চলৰ জীৱিকা সখীসকলকো শীঘ্ৰেই স্কুটী প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে।

*-বাইট-*

আজিৰ অনুষ্ঠানত নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু পৌৰসভাৰ অধ্যক্ষকে ধৰি কেইবাটাও বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

বজালী জিলাৰ বাঘমাৰাত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম হাইস্কুল শিক্ষক সন্থাৰ ৪৫ সংখ্যক অধিৱেশনৰ আজি সামৰণি পৰিব। আজি সামৰণিৰ দিনা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে। বাঘমাৰাৰ ৰাজপথত বিভিন্ন জাতি-জনগোষ্ঠীৰ সাজ-পাৰ পৰিধানেৰে বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজে অংশ লয়। মন্ত্ৰী শ্ৰীদাসে এই অধিৱেশন সাফল্যমণ্ডিত কৰাৰ বাবে সকলোকে ধন্যবাদ জনোৱাৰ লগতে হাইস্কুল শিক্ষক সন্থাৰ সভাপতিকে ধৰি নৱনিৰ্বাচিত বিষয়াসকলক শুভেচ্ছা জনায়।

০০০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্ত আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবী কোটাই আজি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱ নিৰ্মিত টাৰ্মিনেল পৰিদৰ্শন কৰে। সমাগত অসম ভ্ৰমণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই টাৰ্মিনেল উদ্বোধন কৰাৰ কথা। মন্ত্ৰী তথা  বিষয়াসকলে টাৰ্মিনেলটো পৰিদৰ্শন কৰি উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়।

০০০০০০০

গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি অসম গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰা হয়। ৰাজ্য চৰকাৰৰ গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুঁথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ২৪ ডিচেম্বৰৰ পৰা ৫ জানুৱাৰীলৈ অসম গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তই গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰি কয়, যে অসম গ্ৰন্থমেলা, গুৱাহাটী হৈছে সকলোৰে বাবে হেঁপাহ আৰু সন্মানৰ অনুষ্ঠান আৰু এই গ্ৰন্থমেলালৈ সকলোৱে অতি আগ্ৰহেৰে বাট চাই থাকে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে অনুষ্ঠিত হোৱা গ্ৰন্থমেলাক লৈ সন্তুষ্টি প্ৰকাশ কৰি শ্ৰীমহন্তই গ্ৰন্থ আন্দোলনৰ এই যাত্ৰা আশাব্যঞ্জক বুলি উল্লেখ কৰে। তেওঁ কয়, যে ইয়াৰ ফলত সুস্থ বৌদ্ধিক বাতাবৰণ আৰু অধ্যয়ন সংস্কৃতিয়ে জনসাধাৰণক সমৃদ্ধ কৰিব। আজিৰ কাৰ্যসূচীত অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা, পৰিষদৰ সচিব প্ৰমোদ কলিতাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ৰঞ্জিতা গোস্বামীৰ নেতৃত্বত এটা দলে দিহা নাম প্ৰদৰ্শন কৰে। আজিৰ অনুষ্ঠানতে অসম গ্ৰন্থমেলা গুৱাহাটীৰ প্ৰৱেশ-পত্ৰ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে, বিশিষ্ট সাহিত্যিক আমিশ ত্ৰিপাঠীয়ে অহা ২৪ ডিচেম্বৰত অসম গ্ৰন্থমেলা গুৱাহাটী উদ্বোধন কৰিব।

0000000

সত্ৰপীঠ মাজুলীৰ শ্ৰীশ্ৰী আদি বিহিমপুৰ সত্ৰৰ শংকৰ-মাধৱ মিলত ক্ষেত্ৰত আজিৰে পৰা ২০২৫ বৰ্ষৰ অসম শিশু ভাওনা সমাৰোহ অনুষ্ঠিত হৈছে। সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত আজি এহেজাৰ এগৰাকী শিল্পীয়ে সমস্বৰে বৰগীত পৰিৱেশন কৰে। মধ্য মাজুলী শিল্পী সমাজৰ উদ্যোগত আৰু মাজুলীবাসীৰ সহযোগত প্ৰথমবাৰৰ বাবে মাজুলীত অনুষ্ঠিত এই ভাওনা সমাৰোহত বিশিষ্ট কণ্ঠশিল্পী বিদ্যা সাগৰে বৰগীতৰ কাৰ্যসূচী উদ্বোধন কৰে। সমাৰোহত ৰাজ্যৰ বিভিন্ন জিলাৰ শিল্পী দলে ২০ খনকৈ ভাওনা প্ৰদৰ্শন কৰিব। তদুপৰি উদ্বোধনী আৰু সামৰণিৰ দিনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দুখনকৈ অংকীয়া নাট প্ৰদৰ্শন কৰা হ'ব। এই সন্দৰ্ভত অসম শিশু ভাওনা সমাৰোহৰ আয়োজকে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়-

*-বাইট-*

0000000

উত্তৰ গুৱাহাটী কন্যা উচ্চ বিদ্যালয় আৰু আউনীআটি কমলাদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ৱাইপ্ৰো আৰ্থিয়ান ৰাষ্ট্ৰীয় বঁটা ২০২৫ লাভ কৰিবলৈ সক্ষম হৈছে। দেশজুৰি লাভ কৰা ২ হেজাৰতকৈ অধিক প্ৰকল্পৰ ভিতৰত এই বিদ্যালয় দুখনৰ প্ৰকল্পক পুৰস্কৃত কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিদ্যালয় দুখনৰ সফলতাত আনন্দ প্ৰকাশ কৰে। এই স্বীকৃতিয়ে ৰাজ্যৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা বুলি উল্লেখ কৰি তেওঁ শিক্ষাৰ্থী, শিক্ষক তথা পিতৃ-মাতৃকে ধৰি সকলো পক্ষলৈ অভিনন্দন জ্ঞাপন কৰে।

0000000

লখিমপুৰৰ খাৰকাটি ফটাসুতি ঘাটৰ পকী দলঙৰ সমীপত অহা ১৮ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব ৰঙানদী সাংস্কৃতিক উৎসৱ ২০২৬। ফটাসুঁতি দলঙৰ সমীপত আজি এই উৎসৱৰ শুভাৰম্ভণি অনুষ্ঠান আয়োজিত হয়। অনুষ্ঠানটোত দিহা নামৰ লগতে মিছিং নৃত্যও পৰিবেশন কৰা হয়। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বিভিন্ন প্ৰজাতিৰ অভিলেখ সংখ্যক মাছ ৰঙানদীত এৰি দিয়া হ'ব। দ্বিতীয়বাৰৰ বাবে ৫ দিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া এই অনুষ্ঠানত জুবিন গাৰ্গৰ গীত আৰু নত্য প্ৰতিযোগিতা, গ্ৰন্থমেলা, বাণিজ্য মেলা, খাদ্য মেলা, বিভিন্ন জাতি

জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শন, ভাওনা, ৰাস, শিল্পীৰ সংগীতানুষ্ঠান, ফেছ্ন শ্ব', দিহানাম তথা ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰঙানদীক বিষয়বস্তু হিচাপে লৈ এখন আলোচনা চক্ৰ আয়োজনৰো দিহা কৰা হৈছে। তদুপৰি ৰঙানদী পাৰৰ এশ গৰাকী শিল্পী, সাহিত্যিক আৰু সমাজ সেৱকক এই সুযোগতে সম্বৰ্ধনা জনোৱা হ'ব।

০০০০০০০

মায়ং ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ উদ্যোগত জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত প্ৰথম জাগীৰোড আন্তঃবিদ্যালয় ছোৱালী ক্ৰিকেট প্ৰতিযোগিতা ২০২৫ৰ চূড়ান্ত খেলখন আজি অনুষ্ঠিত হয়। খেলখনত জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু সংস্কৃতি বিদ্যাপীঠ বঘৰা মুখামুখি হয়। চূড়ান্ত খেলখনত সংস্কৃতি বিদ্যাপীঠে বিজয়ীৰ খিতাপ দখল কৰে। জনসংযোগ মন্ত্ৰী পিযুষ হাজৰিকাই খেলখন উপভোগ কৰি বিজয়ী তথা ৰানাৰ্ছ আপ দলক বঁটা প্ৰদান কৰে। তদুপৰি হাজৰিকাই গৰমাৰী ৰাইনুজ ক্লাবৰ উদ্যোগত অনুষ্ঠিত প্ৰাইজমানি ফুটবল খেল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনো আজি উপভোগ কৰে।

০০০০০০০

ৰাজ্যত শীত নমাৰ লগে লগে বনভোজৰো বতৰ অহা পৰিলক্ষিত হৈছে। বছৰটোৰ শেষৰ দিনকেইটি তথা সমাগত মাঘ বিহু আৰু নৱবৰ্ষৰ মাজৰ দিনকেইটিত ৰাজ্যৰ বনভোজস্থলীসমূহ জনসমাগমেৰে মুখৰ হৈ উঠিছে। বাক্সা জিলাৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ নাৰায়ণগুৰি বনভোজস্থলীত আজি বনভোজৰ বাবে ব্যাপক জন সমাগম হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা উৎসাহী লোকে বেকী নৈত নৌকা বিহাৰ কৰাৰ লগতে মাছে-মঙহে এসাজ খাই আনন্দ উল্লাহ কৰে। গোৱালপাৰা জিলাৰ শ্ৰীশ্ৰীসূৰ্য পাহাৰতো আজি ব্যাপক জনসমাগম হয়। সনাতন হিন্দু, বৌদ্ধ তথা জৈনসকলৰ মিলনভূমিস্বৰূপ ঐতিহাসিক শ্ৰীশ্ৰীসূৰ্যপাহাৰত তীৰ্থযাত্ৰী আৰু পৰ্যটকসকলৰ আগমনে উখল-মাখল পৰিবেশৰ সৃষ্টি কৰে। চিৰাং জিলাৰ সীমান্তৰ বনভোজস্থলীসমূহতো কেইবাটাও বনভোজৰ দলৰ আগমন হয়। জিলাখনৰ বেংটল, আমগুৰি সংযোগী পথৰ আইপোৱালী নৈৰ পাৰত বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰামৰ ব্ৰহ্ম আৰু ধীৰাজ বৰগঞাৰীয়ে এটি বনভোজস্থলী মুকলি কৰে। উল্লেখযোগ্য যে জিলাখনৰ গাভৰুখুন্দা, কালামাটি, বনাবিলি, দেহশ্ৰী, নিজলাগুৰি, গৰুভাষা, হাগ্ৰামা দলং, ডাংটল আদৰ্শ গাওঁৰ নিকটৱৰ্তী ভূমিশ্বৰ পাহাৰৰ নামনিত কুজিয়া নৈৰ নৈসৰ্গিত পৰিবেশত বনভোজস্থলীসমূহ সাজু কৰি তোলা হৈছে। দক্ষিণ কামৰূপৰ অসম মেঘালয় সীমান্তৱৰ্তী জিমিলি গাওঁতো বনভোজ খাবলৈ তথা প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ বহু পৰ্যটকৰ আগমন ঘটিছে। উল্লেখযোগ্য যে, ৰাভা জনগোষ্ঠী অধ্যুষিত এই গাঁৱখনত শতাধিক কমলা বাগিছা আছে। ৰাজ্যখনৰ বিভিন্ন বনভোজস্থলীত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা পৰিলক্ষিত হৈছে। তদুপৰি স্থানীয় কৰ্তৃপক্ষসমূহে বনভোজস্থলীসমূহত চাফ চিকুণতা তথা শৃংখলা বজাই ৰাখিবলৈ জনসাধাৰণলৈ আহ্বান জনাইছে।

০০০০০০০

নগাঁও জিলা প্ৰশাসনে পৰহিলৈ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো গাঁৱত উচ্ছেদ চলাব। চালনাবাৰী গাঁৱৰ ভেৰভেৰি বিলৰ পৰা মাগুৰমাৰী বিললৈকে এই উচ্ছেদ চলিব। ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই ইতিমধ্যে উচ্ছেদ চলাবলগীয়া স্থানসমূহ পৰিদৰ্শন কৰিছে। উল্লেখযোগ্য যে, একাংশ মীনপালকে টুকটুকি, আহোমগাঁও, কটগুৰি, ৰৌমাৰী বিল, মৈৰাধবজ গাঁৱত থকা প্ৰাকৃতিক পানীৰ সুঁতি ৰুদ্ধ কৰি অবৈধভাৱে পুখুৰী বান্ধ নিৰ্মাণ

কৰিছে। যাৰ ফলত পানীৰ চলাচল বন্ধ হৈ যোৱাত গাঁওবাসীয়ে সমস্যাৰ সন্মুখীন হৈছে। প্ৰাকৃতিক পানীৰ সুঁতি পুনৰ উজ্জীৱিত কৰাৰ লক্ষ্যৰে ১৬ ডিচেম্বৰত এই অঞ্চলসমূহত উচ্ছেদ চলিব বুলি চক্ৰ বিষয়া সৌৰভ কুমাৰে জানিবলৈ দিছে।

০০০০০০০

ধৰমশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছোচিয়েন ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত ভাৰতে টচত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে। খেলখন কিছুসময় পাছতে আৰম্ভ হ'ব। পাঁচখনীয়া এই শৃংখলাত দুয়োটা দলে বৰ্তমান ১-১ত সমতা স্থাপন কৰি আছে। শৃংখলাৰ চতুৰ্থখন খেল অহা বুধবাৰে লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিম খেলখন অহা শুকুৰবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত অনুষ্ঠান কাৰ্যবাহী দগৰ চন্দ্ৰ ৰাভাৰ আজি গুৱাহাটীৰ আৰ্যনগৰ ভাস্কৰ নগৰৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণীৰ বিভিন্ন কেন্দ্ৰত সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰা ৰাভা এগৰাকী প্ৰকৃত জ্ঞানপিপাসু ব্যক্তি আছিল। তেওঁৰ ব্যক্তিগত পুঁথিভঁৰালত সাহিত্য, সংস্কৃতি, ইতিহাস, আধ্যাত্মিক, সমালোচনা আদি বিভিন্ন বিষয়ৰ অসমীয়া, ইংৰাজী, বাংলা, হিন্দী, ৰাভা আৰু বড়ো ভাষাকে ধৰি বিভিন্ন ভাষাৰ কেইবা হাজাৰ গ্ৰন্থই স্থান পাইছে। ৰাভাৰ মৃত্যুত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে গভীৰ শোকপ্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**